পৰালি পৰিল যে এওঁ এওঁৰ কলিকতাৰ বৰ-বজাৰৰ আৰ্মেনীয়া ষ্ট্ৰীটৰ নিজা ঘৰ-দুৱাৰ আৰু ডিব্ৰুগড়ৰ মাটি-ভেটি বেচিবলৈ তৎ এৰিলে। এওঁ ৰবৰ আৰু হাতী-ধৰা কাৰবাৰ কৰিছিল, আৰু ডিব্ৰুগড়ৰ লাহোৱালত বিখ্যাত তামোলবাৰী চাহ-বাৰী পাতে; এই চাহবাৰীকে বঢ়াই তেওঁৰ পুতেক-নাতিয়েকহঁতে চাহ-ব্যৱসায়ত যথেষ্ট উন্নতি কৰিলে। বিষ্ণুপ্ৰসাদ, চন্দ্ৰকুমাৰ, পৰমানন্দ, কৃষ্ণপ্ৰসাদ আৰু গোপালচন্দ্ৰ, এওঁৰ এই পাঁচটি পুত্ৰৰ ভিতৰত বৰ-মাজু চন্দ্ৰকুমাৰ কুৰি শতিকাৰ অসমীয়া কবিসকলৰ অগ্ৰণী এজন।

অসমীয়া পুৰণি পুথিৰ সংগ্ৰহত নেথন ব্ৰাউনৰ নেতৃত্বৰ উল্লেখ কৰি অহা হৈছে। তেওঁৰ প্ৰায় তিনি কুৰি বছৰৰ নিমাও-মাও অৱস্থাৰ পাছত ছাৰ আৰ্চডেল আৰ্লৰ আমোলত এই বিষয়ৰ আকৌ সহাৰি পোৱা হয়। ১৯১২ত কৰ্ণেল গ্ৰ্ডনৰ নেতৃত্বত হেমচন্দ্ৰ গোস্বামীয়ে ৭৭খন সংস্কৃত আৰু ১৫৬খন অসমীয়া পুথি গোটায়: অসমীয়া পটন্তৰ ৪, গণিত ৪, জ্যোতিষ ১, চৰিত ১২, বুৰঞ্জী ১০, নাটক ১৪, কাব্য ৩৯, আখ্যান ১, আহোম শব্দকোষ ১, মন্ত্ৰ ১০, ঔষধ ২, বিবিধ ২, পুৰাণ ১৬, ধৰ্মপুথি ৩৪, ফকৰা ১, গীতকাব্য ৪, তন্ত্ৰ ১। এইবোৰৰ ভিতৰত নৈষ্ঠিক মতৰ লগত বুজি যাইকৈ ধৰ্মপুথিবোৰ ছপাবলৈ পুঁজি আৰু সৎসাহ ক'ত? ১৮৭৬ত সাঁচিপতীয়া পুথিৰ পৰা জয়ে জয়ে হৰিবিলাসেই সকলো প্ৰকাৰে সাহ কৰি শঙ্কৰদেৱৰ কীৰ্ত্তন-ঘোষা কলিকতাত ছপাই আনে। এওঁৱেই আকৌ ভাগৱতৰ আদি, মধ্য আৰু শেষ ছোৱাৰ দশম স্কন্ধ, তাৰ পাছত একাদশ স্কন্ধ আৰু লাহে লাহে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্কন্ধ প্ৰকাশ কৰে। ইয়াৰ বাহিৰেও উনৈশ শতিকাৰ ভিতৰতে এওঁ শঙ্কৰদেৱৰ সীতা-স্বয়ম্বৰ অঙ্ক, গুণমালা, ভটিমা, বৰগীত আদি উলিয়ায়, আৰু পুৰুষোত্তম ঠাকুৰ বিদ্যাবাগীশৰ 'প্ৰয়োগ ৰত্নমালা ব্যাকৰণ' ছপায়। ভক্তি-ৰত্নাৱলী, দৈত্যাৰি ঠাকুৰৰ গুৰুচৰিত, বিপুঞ্জয় স্মৃতি, সাৰ-নিত্যক্ৰিয়া আদি পুথিও এওঁৱে পোনতে উলিয়ায়। এওঁৰ উদ্যোগ আৰু অৰ্থ-সাহায্যৰ গৱিলা লৈয়ে গুণাভিৰামে পুৰণি সাহিত্যৰ কিছুমান সুন্দৰ ভণিতা গোটাই তেওঁৰ 'কাব্য-কুসুম' পুথি উলিয়ায়। এওঁ নিজে অসমীয়া গদ্যৰ ভাল লেখক আছিল; তাৰ সাক্ষী স্বৰূপে তেজপুৰৰ অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাৰ কোনো অধিবেশনত পঢ়া এওঁৰ লম্বোদৰ বৰাৰ জীৱনীখন মাত্ৰ আছে। হৰিবিলাসৰ আন নহলেও আশাশুধীয়া সাহিত্য-পোষ্ঠপোষকতাৰ বাবে চিৰ স্মৰণীয় হবৰ নিসন্দেহ দাবী আছেই।

**মাধৱচন্দ্ৰ বৰদলৈ (১৮৪৭-১৯০৭)** ১৭৬৮ শকৰ মাঘত উত্তৰ গুৱাহাটীত এওঁৰ জন্ম; পিতাক কল্পনাথ আৰু মাক পদ্মাৱতী। স্বনামধন্য আনন্দৰাম বৰুৱা, কৰ্ণেল শিৱৰাম বৰা আৰু জালনুৰ আহ্মদ আদিৰে একেলগে এওঁ ১৮৬৪ত কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। কিন্তু যথা-সময়ত বি.-এ. মহলাত উঠিব নোৱাৰি কাকতী আৰু শিক্ষকৰ কাম কৰি শেষত এল্ এল্ পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটীত ওকালতি কৰে, আৰু তাৰ পৰাই এওঁ শেষত একষ্ট্ৰা এছিষ্টেণ্ট কমিচ্নাৰ আৰু ডেপুটি মেজিষ্ট্ৰেট হৈ অৱসৰ লৈ ১৯০৭ৰ ১০ অক্টোবৰত ঢুকায়। মাধৱ কন্দলীৰ অসমীয়া পাঁচ কাণ্ড ৰামায়ণ, মাধৱদেৱৰ আদিকাণ্ড আৰু শঙ্কৰদেৱৰ উত্তৰা কাণ্ডৰে এৰেঁই জয়ে জয়ে সুসম্পাদিত কৰি উলিয়ায়। মৌলিক কোনো গ্ৰন্থ নিলিখিলেও এই ৰামায়ণৰ বহুমূলীয়া পাতনিখনেই এওঁক অসমীয়া সাহিত্যত স্মৰণীয় কৰি ৰাখিব। বহুত দিনৰ বাদ-বিসম্বাদৰ বিষয় পুৰুষোত্তম গজপতিৰ "দীপিকা-ছন্দ" (দীপিকা-চন্দ্ৰ ?) পুথিখনিও এৰেঁই পোনতে প্ৰকাশ কৰে। লক্ষেশ্বৰ শৰ্মা নামৰ এজনো এই দৰেই অসমীয়া অষ্টাদশ পৰ্ব মহাভাৰত ছপাবলৈ যো-জা কৰোঁতেই ঢুকায়।

## পূৰ্ব-আধুনিক আৰু আধুনিক কবিতাৰ বিকাশ

"আধুনিক" কথাটো অকল কাল-গতই নহয়, দেশ-গতও। দেশৰ লগত দেশৰ আৰু জাতিৰ লগত জাতিৰ যি আন্তৰিক মিলন-মিল আৰু সলনা-সলনি আৰু তাৰ ফলত এই দেশ আৰু জাতিসমূহৰ হৃদয়ত যি এটি নতুন প্ৰাণৰ সন্ধান, নৱ জাতীয় ৰূপ বা অভিনৱ যুগ-ধৰ্মৰ বাৰ্ত্তা, সেয়ে আধুনিকতাৰ বিশিষ্ট পৰিচয়। মুঠতে বিশ্ব-মানৱৰ মাজত ব্যাপকতৰ গভীৰতৰ আৰুৰ নিচতৰ কল্যাণতে আধুনিকতাৰ জন্ম হৈছে; আৰু ইউৰপেই এই আধুনিকতাৰ পৰশ-মণি স্বৰূপ। ৰবীন্দ্ৰনাথৰ ভাষাৰে, "পশ্চিমে আজ খুলিয়াছে দ্বাৰ, সেথা হ'তে সবে আনে উপহাৰ; দিবে আৰ নিবে, মিলিবে মিলাবে, যাবে না ফিৰে; এই ভাৰতেৰ মহামানৱেৰ সাগৰ-তীৰে।" এই পৰশ-মণিৰ পৰশৰ বাবেই জাপান কেতিয়াবাৰে পৰা আধুনিক আছিল, আৰু তাৰ অবিহনে সৌ সিদিনালৈকে চীন দেশ আধুনিক নাছিল। ভাৰতীয় সাহিত্যৰ ইউৰপীয়, যাইকৈ আধুনিক ইউৰপীয়, চেতনাৰ মূল উপলব্ধিটিয়েই ইয়াৰ বিশিষ্ট যাই দান। সেই মূল উপলব্ধিটি হৈছে এই স্থূল বা ইন্দ্ৰিয়গ্ৰাহ্য জগতক বৰণ। যদি এয়ে হয়, তেন্তে কালিদাস আদিৰ ভাৰতীয়

সাহিত্যতেই বা ইন্দ্ৰিয়ালুতা কি হীন ? তেনেহলে কব লাগিব, প্ৰাচ্য বা আদি-ভাৰতীয় আৰু পাশ্চাত্য বা আধুনিক ইউৰপীয় ভাব-ধাৰাৰ মূলগত পাৰ্থক্যখিনি ইন্দ্ৰিয়গত জগতক আলিঙ্গন কৰা বা নকৰাত নহয়, তাক আলিঙ্গন কৰা নীতিত। স্থূলক একান্ত স্থূলভাৱে গ্ৰহণ কৰাই ইউৰপৰ 'প্ৰফেন' বা 'পেগান' নীতি ; শৰীৰৰ লগত শৰীৰৰ মিলনৰ যি সৰসতা আৰু তৃপ্তিৰ উপভোগ, সেয়ে এই 'ছেকুলাৰ' বা বৈষয়িক নীতি। কিন্তু ভাৰতৰ অধ্যাত্ম অতীন্দ্ৰিয় নীতিত পাৰ্থিৱ সম্বন্ধৰ মাজতে সকলো ওৰ নপৰে, আৰু ইন্দ্ৰিয়গত বিষয়ানুভূতিও নিজস্ব মূল্যতকৈ বেলেগ এটি সত্যৰ প্ৰতীক ৰূপেহে ধৰা হয় ; পতি-পত্নী, পুত্ৰ-কন্যা, বিষয়-বাসনা আদি ধন্য আৰু মান্য হব পাৰে আত্মাৰ আনন্দ স্বৰূপেহে, শাৰীৰিক বা পাৰ্থিৱ গুণত নহয়। এই বাবেই ইউৰপীয় কবিৰ "সি দুটি চকুৰে পিয়া মাথোঁ। তুমি, পিম মই বুকু ভৰি", বৈষয়িক ; কিন্তু ভাৰতীয় কবিৰ "জনম অৱধি হাম ৰূপ নেহাৰনু, নয়ন ন তিৰপিত ভেল। লাখ লাখ যুগ হিঅ হিব ৰাখনু, তইও হিঅ জুড়ন ন গেল॥" আধ্যাত্মিক। তদুপৰি, মৰৰ ওপৰত অমৰৰ, বা জড়ৰ ওপৰত চৈতন্যৰ, অধ্যাত্ম উপলব্ধি অকল ভাৰতীয়ৰ আৰু তাৰ বিপৰীত ভাব ইউৰপীয়ৰ একস্বত্ব নহয়। উভয় দেশৰ বতাহ-পানীৰ লগত নিজ নিজ গুণ বিয়পি থাকি ই সৰ্বসাধাৰণক প্ৰভাৱান্বিত কৰে ; তথাপি শ্ৰেষ্ঠতম শিল্পীসকল উভয় মহা-দেশতে সদায় ইয়াৰ ওপৰলৈ উঠে।

স্বৰূপতে ইংৰাজ আগোলৰ লগে লগেই পুৰণি অসমীয়া জীৱনৰ; গতিকে অসমীয়া সাহিত্যৰ, লগত বৰ্ত্তমানৰ যোগসূত্ৰ প্ৰায় ছিগিল। কিন্তু ই এদিন, এমাহ, এবছৰ বা এযুগৰ কথা নহয় ; ইংৰাজ শাসনৰ লগে লগে ভেওঁলোকৰ হাব-ভাব, চলন-ফুৰণ, সাজ-পাৰ, মাত-কথা, আদৰ্শ আদিৰ প্ৰতি লক্ষ্য, আকৰ্ষণ, অনুৰাগ বঢ়াৰ পৰিণাম ৰূপে শেষত জ্ঞাতসাৰে আৰু অজ্ঞাতসাৰে সেইবোৰৰ গ্ৰহণ হবলৈ ধৰিলে। সাহিত্যতো এই গতি যেনে ধীৰ-স্থিৰ, তেনে সুনিশ্চিত। পোনতে বিশ্বেশ্বৰ, দুতিৰাম, পূৰ্ণকান্ত আদিত এই যুগৰ সহাৰিকে পাবলৈ নাই ; তাৰ পাছত ৰমাকান্ত, ভোলানাথ আদিত সাজ-পাৰৰ সলনি অৰ্থাৎ মূৰৰ মথুৰা পাগ, গাৰ এৰীয়া বা গুণাকটা ফুলাম খনীয়া আৰু টিকাৰ থমথমীয়া মুগাৰ ৰব চুৰিয়া সলাই হেট্ নেকটাই ঠেঙা পিন্ধা দেখা পাওঁ সচা, কিন্তু হেটৰ তলত টিকনি আৰু ঠেঙাৰ তলত তিয়নি তেতিয়াও আছিল ; কেৱল চন্দ্ৰকুমাৰ-লক্ষ্মীনাথ-হেম গোস্বামীৰ কবিতাত প্ৰথম চাহাবানি দেখা পোৱা হয়। পৰিবৰ্ত্তনৰ এই তিনটি

খাপৰ প্ৰথমটিত পুৰণি ভাব আৰু পুৰণি ছন্দ প্ৰায় অবিচলিতভাৱে থাকিল; দ্বিতীয়টিত দুলড়ি-লেচাৰীৰ ঠাইত সাত-সাগৰ তেৰ-নদীৰ সিপাৰৰ ব্লেঙ্ক ভাৰ্চ ব্যৱহৃত হল, অথচ তাৰ ভিতৰৰ বস্তু সেই ৰামায়ণ-মহাভাৰতৰ আদৰ্শই হুবহু থাকিল; কিন্তু চন্দ্ৰ-লক্ষ্মী-হেমৰ কবিতাত ইংৰাজী ৰমাণ্টিছিজ্‌ম্‌ বা ইটালীয় ছনেট্‌ আৰু বাহিৰা বস্তু হৈ নাথাকিল, হাড়ে-হিমজুৱে এক হৈ পৰিল। ওপৰে ওপৰে চালে এনে এটা শঙ্কা মনলৈ আহিব পাৰে, অসমীয়াৰ জাতীয়ত্ব তেন্তে ক'ত বল? কিন্তু আমাৰ শাৰীৰিক জীৱনলৈ চালেই দেখা পাওঁ, সাত-পুৰুষত্ত নোখোৱা-নকৰাও আমি খাইছোঁ আৰু কৰিছোঁ; আৰু সিমানৰ সত্ত্বেও আমি নিজক অসমীয়া বুলি আছোঁহঁক; মানসিক বিষয়ে ই ততোধিক সত্য। আগৰ অসমীয়া ঘোপমৰা বৰ-ঘৰ মাৰল ঘৰ আহল-বহল খিৰিকি-দুৱাৰ দি ওখকৈ সজালেও আমি সেই পূৰ্বপুৰুষৰ বংশধৰ হৈয়ে থাকিম; কেৱল আমাৰ পুৰণি ভেটিটো যাতে নৈয়ে খহাই নৈ নাযায় তালৈ মন কৰিলেই যথেষ্ট। প্ৰকৃততে পৰিবৰ্ত্তিত অৱস্থাৰ লগত নিজক খাপ খুৱাই লব পৰাই জীৱন; তাকে কৰিব নোৱাৰিলেই মৃত্যু অনিবাৰ্য্য। পূৰ্বপুৰুষে নোখোৱা কোনো বস্তু নাখাওঁ বুলি যেনেকৈ আমি বৰ্ত্তমান যুগত জীয়াই থাকিব নোৱাৰোঁ, আমাৰ জলবায়ু আৰু শাৰীৰিক গঠনলৈ মন নকৰি জীণ নোযোৱা বস্তু খায়ো তেনেকৈ আমি নিজ মৰণ মাতি আনিব পাৰোঁহঁক; গতিকে আধুনিকতাৰ আন এটি অৰ্থ সমাহাৰ, সমন্বয়, ঐক্য বা মিলন। শুদা ইউৰপীয় চেতনা আধুনিক নহয়; যি ইউৰপীয় চেতনাত ভাৰতীয় চেতনাৰ ঐক্য-সাধন হোৱা নাই সি ইউৰপীয় চেতনাই নহয়। সংস্কৃতি কথাটোও এনেকুৱাই; ই বিশ্বজনীন আৰু গতিশীল, এই দুই গুণ হেৰালেই ই প্ৰাণহীন ৰীতি-নীতিত পৰিণত হয়। ভাৰতীয় ইউৰপীয় আদি সভ্যতা যেনেকৈ মানৱ সংস্কৃতিৰ বৰ্ণালি মাত্ৰ, অসমীয়া বঙলা আদি সভ্যতা তেনেকৈয়ে ভাৰতীয় সংস্কৃতিৰ বৰ্ণালি নিশ্চয়; গতিকে এই প্ৰাদেশিক সভ্যতাবোৰ যিমানে উন্নত হয়, ভাৰতীয় সংস্কৃতি সেই অনুপাতে উজ্জ্বল হৈ উঠিব। বৰ্ত্তমান অসমীয়া কাব্য-ৰীতিৰ বিৱৰ্ত্তন আৰু ক্ৰমবিকাশত এইবোৰলৈ লক্ষ্য ৰাখিব লাগিব।

বিশ্বেশ্বৰ বৈদ্যাধিপৰ আত্ম-পৰিচয়: "সূৰ্য্যবিপ্ৰে কুলে জাত। বিশ্বেশ্বৰ নামে খ্যাত॥ তেওঁ পদ বিৰচিল। স্বৰ্গদেৱে আজ্ঞা দিল॥ বৈদ্য বৰুৱাৰ নাতি। পৰম অজ্ঞানী আতি॥ নথাটিমা আছিলেক। বৈদ্যাধিপ পাতিলেক॥

শুনা সভাসদ লোক। হৰি হৰি ঘুষিয়োক॥ বুৰঞ্জী পুৰাতত্ত্ব বিভাগে উলিওৱা এওঁৰ পদ্য-বুৰঞ্জীত ১৭৯২-১৮১৯ৰ অসমৰ কাহিনী বৰ্ণোৱা আছে। আধকৰা এই পুথিখন লেখকে সম্ভৱ পুৰন্দৰ সিংহৰ ৰাজ-আজ্ঞামতে ১৮৩৩ মানত আৰম্ভ কৰি ১৮৪৬ৰ ভিতৰত সমাপ্ত কৰিছিল। বৈষয়িক কথা হলেও ইয়াৰ ভাব-ভাষা সকলো বৈষ্ণৱ আদৰ্শৰ: "শ্বেত ছত্ৰ যাৰ শিৰ উপৰে চৰাইল। কালৰ বিক্ৰমে এক তিলকে উৰাইল॥" এনে মন্তব্য এই "বেলি-মাৰৰ বুৰঞ্জী"ত বিৰল নহয়। চলিত পদ, ছুলড়ি, লেচাৰীৰ বাহিৰেও ইয়াত মুক্তাৱলী, বিদগ্ধ লেচাৰী আদিৰে নানা ছন্দ-বৈচিত্ৰ্য পোৱা হয়। পূৰ্ণানন্দৰ পত্নীসকলৰ বিলাপ আদিৰ পৰাও লেখকৰ কবিত্বৰ প্ৰমাণ পোৱা হয়:—

"হা হৰি হৰি! স্বামী গৈল মৰি
আইলোঁ ৰাজ্য এৰি, পাইলোঁ কামপুৰী এ,
ধন-জন-ৰাৰী সকলো তৈতে থাকিলা।
তোমাৰ সমান, মন্ত্ৰী নাহি আন;
শত্ৰু স্থানে স্থানে কৰিলা নিৰ্য্যান এ,
অকণ্টকা কৰি সমস্ত ভূমি পালিলা॥
তোমাৰ বিয়োগে বঞ্চিলেক ভোগে
দৈৱৰ সংযোগে পাইল মহাৰোগে এ,
বিপত্তি কালত আপুনি তুমি মৰিলা।
বিধি বিড়ম্বিলে মানেও খেদিলে,
যুদ্ধতো হাৰিলে বলে নোৱাৰিলে এ,
আমাৰ কপালে বিধাতা হেন লিখিলা॥

**দুতিৰাম হাজৰিকা** (১৮০৬-১৯০১), কলি-ভাৰত নামৰ আন এখন পদ-বুৰঞ্জীৰ লেখক, যোৰহাটৰ বনীয়া সম্প্ৰদায়ৰ লোক আৰু সম্ভৱ পুৰন্দৰ সিংহৰ সোণাৰী আছিল; পুথিখন ১৮৬২ত সম্পূৰ্ণ কৰা বুলি ঘটনাৰ বিৱৰণৰ পৰা বুজিব পাৰি। কবিত্বত এওঁ বিশ্বেশ্বৰৰ সমকক্ষ; "কৈৱ কোন লোক আসে এহেৰ-তেহেৰ। সিও মোত কথা কহে ঠেহেৰ ঠেহেৰ॥" এনে ধৰণৰ মাত-কথাও ইয়াৰ বহুত ঠাইত আছে। এই বৈষয়িক কাহিনী কওঁতে এওঁ বিষয়ৰ অগাৰতাহে প্ৰতিপন্ন কৰিবৰ প্ৰয়াস পাইছে। চন্দ্ৰকান্তক তৰাতলীলৈ নিওঁতে পুৰনাৰী-সকলৰ বিলাপ-বৰ্ণনা বিতোপন—"চন্দ্ৰকান্ত মহাৰাজা। চন্দ্ৰৰ সমান তেজা॥

নাম চন্দ্ৰকান্ত কয়। চন্দ্ৰ যেন প্ৰকাশয়॥ কৰিলা অঙ্গক খুন। তভো শান্ত নোহে মন॥ নগৰৰ বাজ কৰি। লৈয়া যায় দূতে ধৰি॥ নাহি একো ৰথ-যান। মেঘে কৰে বৰিষণ॥ নাহি দণ্ড ছত্ৰ তাত। মাথে এক জাপি মাত্ৰ॥ পথে পঙ্ক আছে হুই। ভূমি গতি চলি যায়॥ দিচৈ ভোগদৈ পাব হুই। লোক সৱে আছে চাই॥ প্ৰজাসৱে বেঢ়ি যায়। কতো হিয়া ধাকুবায়॥ চিত্ৰৰ পুতলী যেন। হেন ৰাজা ভৈল কেন॥ এহি বুলি কান্দে কতো। কোনো বাধা দিয়ে তাতো॥ নকান্দস বব কৰি। নিব ৰাজদূতে ধৰি॥ নৃপতিৰ হেন দুখ। তোৰ কি চাহিব মুখ॥ এহিমতে নৃপতিক। বেঢ়ি যায় বহু লোক॥ লগত নাহিক কেও। দুই বাহিনী আৰু মাও॥ আৰ্বাবিয়া আছে কাষে। ৰাজদূত আগে-পাছে॥ চেউনি আলি পথ ধৰি। গৈয়া পাইল কেন্দুগুৰি॥ তাহাতে বসিলা ৰাজা। চাৰে বেৰি সৱ প্ৰজা॥ টেকেলা ভাবুকি দেয়। হাতে বেত তুলি লয়॥ ৰাজা বাধা দিয়ে তাক। নবাধিবা চাওক মোক॥ দেখিবেক কোন দিনে। তাত বাধা কৰ কেনে॥ শুনি হেন নবাধিল। ভালৰূপে সৱে চাইল॥ কিছুমান কহি তাতে। চলিয়া গৈলেক বাটে॥ প্ৰজাসৱে কান্দি কয়। নৃপতিক লৈয়া যায়। যাইবাক নপাৰে ভৰি। দেখি কটোৱালে ঘুৰি॥ জনাইল মন্ত্ৰীৰ আগে। যান এক দিবা লাগে। চলিতে নপাৰে পাই। তেজ ফুটি বাহিৰায়॥ সেহিমতে নিবো কেনে। গৈয়া পাইবো কোন দিনে॥ শুনি ঘোৰা দিল এক। তুলি নিল নৃপতিক॥ সেহি মতে লৈয়া গৈলা। তৰাতলী হাট পাইলা॥ তাতে বাসা গৃহ কৰি। নৃপতিক থৈল ভৰি॥ প্ৰহৰা দিলেক তাত। ৰখি থাকে দিন-ৰাত॥ সামান্যৰ কোন লেখা। হৰি পাৰে কৰা আশা॥ গুচিবে দুৰ্গতি দুখ। নিজানন্দ পাইবা সুখ॥"

**গোপীনাথ চক্ৰবৰ্ত্তী** একে সময়ৰে নামনি অঞ্চলৰ কোনো গাঁৱলীয়া কবি; এওঁৰ "কলঙ্ক-ভঞ্জন"ৰ ৰচনা তেনে সুৰুচিসঙ্গত নহয়।—

"কৃষ্ণৰ চৰণে ধৰি গোলে ৰাধা ব্ৰজেশ্বৰী
শুনাহে মুৰলীধাৰী মোৰ মনোদুঃখ।
গাঁওৰ যিগিলা আছে গিৰি সকলে বোলে বাদুৰা তিৰি
এই দুঃখে উল্যাবা নথৌ মুখ॥...
হে হৰি দয়াৰ সাগৰ সেই চৰণত ভক্তি আমাৰ
গোকুলত নাউ হল কলঙ্কিনী।

অমৃত খাই হল ৰোগ তিতা লাগে গোপাল ভোগ
জুইৰ দৰে হল শিলোৰ পানী ॥
গৰুড়ে হেতি সখি কৰি সাপোৰ ভয়ত মৰু দাউৰি
গয়াত পিণ্ড দান কৰি নৰকোত পিতা।
গ্ৰহ যাগোৰ কি এই গুণ দ্বিগুণ হল গ্ৰহ-বৈগুণ ;
এত দুঃখ মোৰ ভালে লিখিছিল বিধাতা ॥
হৰি ভজি অধোগতি দান কোল্লি হৱে দুৰ্গতি,
ঘিউ খাই নৰ হোৱে অন্ধ।
ফাসিত মৰি স্বৰ্গবাস, কাশীত মৰি নৰকোত বাস,
ক'তো দেখা নাই দীনবন্ধো ॥"

**ললিতচন্দ্ৰ গোস্বামী** (১৮৪৫-১৯০১) নলবাৰীৰ নাৰায়ণপুৰ সত্ৰাধিকাৰ ; এওঁৰ 'কেলি-ৰহস্য'ৰ ভাব-ভাষাও কলঙ্ক-ভঞ্জনৰ অনুৰূপ ঃ

"ভাৰ এৰি ৰাধা কাছে জমুনাৰ পাৰে পাচে
ভাঙ্গা নৌকা লইয়া বসিলা।
নৌকা বান্ধি নদী তীৰে পাৰে উঠি যদুবীৰে
ধূলি ঘৰ বান্ধিয়া আচিলা ॥
সেহি কালে ৰাধা আসি কানাইক মাতয় হাসি
সিঘ্ৰে কৰা যমুনাৰ পাৰ।
ধূলি উমলিতে এৰা সিঘ্ৰে এৰে পাৰ কৰা
বজা থৈলু নৌকাত তুমাৰ ॥
নৌকাই আসি উঠা তুমি অস্ত গৈলা দিনমণি
মেঘৰ গৰ্জনি অতিশয়।
দশ দিশ ভৈলা ম্লান কৰা কৃষ্ণ অৱধান
চিকিমিকি কৰে তমোময় ॥"

**ৰঘুদেৱ গোস্বামী** আৰু **পূৰ্ণকান্ত দেৱশৰ্ম্মা** এই যুগৰে। ৰঘুদেৱে তেওঁৰ হিতোপদেশী কাব্যত আত্মপৰিচয় দিছে ঃ

"মহাদি দিপক তাতে কৰিয়া শকত। বিন্দু গজ দিয়া পাচে কৰিয়া যুগুত ॥
মিথুন মাসৰ জানা ৰোহিণীক পাই। সমাপতি হৈলা শাস্ত্ৰ পদ সমুদাই ॥

…জখলাবন্ধাৰ সত্ৰ কলিয়াবৰত। আমাৰ জনম জানা সেইসে সত্ৰত ॥
সেই সত্ৰে মূৰ্খ নাই গোবিন্দ কৃপায়। ধৰ্মদোল পাতি হৰি সাক্ষাতে আছয় ॥"

পূৰ্ণকান্তৰ ঘৰ ডিব্ৰুগড়ত; এওঁৰ নল-চৰিত্ৰৰ দময়ন্তীৰ বিবাহ-বৰ্ণনা:

"নলক বৰিলা পতি দেখি ৰাজাগণ। যাৰ যেই দেশে গৈলা বিষাদিত মন ॥
ভীম নৰপতি ভৈলা আনন্দে মগন। বিহাৰ কাৰণে ৰাজা আনে বন্ধুগণ ॥
বাদ্যকৰগণ ৰাজা ডাকিয়া আনিলা। বিহাৰ সামগ্ৰী যত একত্ৰ কৰিলা ॥
নিৰ্মাইলা সভাখন আনি খনিকৰ। স্ফটিকৰ স্তম্ভ আনি দিলে থৰ থৰ ॥
এক ক্ৰোশ স্থান জুৰি ৰচে সভাখন। কনক ৰজতে চিত্ৰ বিচিত্ৰ নিৰ্মাণ ॥
নানাৰত্নে বিৰচিলা যেন দেৱপুৰী। ৰত্নে মণ্ডিত তাহে গৃহ শাৰী শাৰী ॥
মণিময় দীপগণ জ্বলে থান থান। কোটী সূৰ্য্য জিনি আলো নযায় বৰ্ণন ॥
তাৰ পাশে হোম ঘৰ কৰিল নিৰ্মাণ। স্ফটিকৰ বেদী কৈল হোমৰ কাৰণ ॥
বেইঘৰ নিৰ্মাইলা কৰিয়া যতন। দেখি আনন্দিতা ভৈলা যত নাৰীগণ ॥"

এই পুথি ১৮৮৯ত লিখা বুলি বুজিব পাৰি; আৰু এই বছৰতে কলিকতাৰ পৰা প্ৰসিদ্ধ "জোনাকী" কাকত ওলায়। তেনেহলে সহজে মন কৰিব পাৰি আধুনিক মনোভাবৰ লগত পুৰণিয়ে যোৱা শতিকাৰ সামৰণিলৈকে কেৰ মাৰি চলিছিল।

**ৰমাকান্ত চৌধাৰী** (১৮৪৬-৮৯) কামৰূপ জিলাৰ খাতা আৰু বতাহ-গিলা মৌজাৰ লক্ষ্মীকান্ত চৌধাৰী মৌজাদাৰৰ পুতেক। প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটী কাছাৰীৰ কাকতী হয়। তাৰ পাছত গুৱালপাৰা ধুবুৰী আদি কেইবা ঠাইতো কাম কৰি শেষত গুৱাহাটীত ছিৰস্তাদাৰ হৈ থাকোঁতেই অকালতে মেলেৰিয়াত ঢুকায়। ইংৰাজ কবি মিল্টনৰ ব্লেঙ্ক ভাৰ্ছৰ অনুকৰণত বঙ্গ দেশৰ কবি-কুলমণি মাইকেল মধুসূদন দত্তই যি অমিত্ৰাক্ষৰ ছন্দ উলিয়াই বঙ্গভাষা-জননীৰ ভৰিৰ ছন্দৰ শিকলি খোকলাই দিয়ে, তাৰে অনুকৰণত ৰমাকান্তই নিভাঁজ ভাষা আৰু নিমজ ছন্দৰ গতিত লিখা অভিমন্যু বধ কাব্য ১৮৭৫ত প্ৰকাশিত হয়। গতিকে এওঁক অকল অমিত্ৰাক্ষৰ ছন্দৰে নহয়, আধুনিক অসমীয়া কাব্যৰো বাট-দেখাওঁতা বুলিব পাৰি; এৱেঁই আধুনিক অসমীয়া প্ৰথম গহীন নাট সীতাহৰণৰো নাট্যকাৰ। অভিমন্যু বধৰ প্ৰথম সৰ্গত অমিত্ৰাক্ষৰৰ আভাস—

দশদিন যুদ্ধ কৰি ভীষ্ম মহাবলী
যেতিয়া শুইলা বীৰে শৰ-আসনত,
মহাৰথী পাণ্ডৱেও আনন্দ মনেৰে
বজাইলা ঢাক ঢোল শিঙ্গা কৰতাল
জগঝম্প ভেৰি দবা।······
উথলিয়া শব্দ-সিন্ধু সেনাৰ ভিতৰ
লড়ালা পাতাল-স্বৰ্গ, লড়ালা মেদিনী
মেৰু দণ্ড সমন্বিতে। শবদে শবদে
ভাঙ্গিয়া পড়িলা যেন ধৰাত আকাশ;
কঁপিলা বাসুকী ত্ৰাসে, কাণে লাগে তালি
স্থলচৰে জলচৰে; জীৱ-জন্তু যত
কৰ্ণভেদী হিয়াভেদী শবদত সিতো
যেন এশ বজ্ৰপাতে চমকি উঠিলা।······

**বলদেৱ মহন্ত (১৮৫০-৯৫)** শঙ্কৰদেৱৰ আজ্ঞাপৰ নাৰায়ণ ঠাকুৰৰ বংশধৰ। এওঁৰ পূৰ্বপুৰুষসকল বৰপেটাৰ পৰা উঠি আহি খাগৰিজান (নগাঁও) সলগুৰি সত্ৰৰ ডাল শুকদল সত্ৰত আছিল। তাৰ পৰা বৰ্ত্তমান নগাঁও ছহৰৰ চাৰি মাইল আঁতৰৰ মায়ামাৰী এলেঙী সত্ৰৰ খাতলৈ এওঁৰ পিতাক উঠি আহে। তাতে সেই সময়ৰ এজন নিপুণ গদ্যলেখক নবনাথ মহন্তৰ লৈতে লগ লাগি এওঁ সাহিত্য-সেৱাত লাগে। বলদেৱ নগাঁৱৰ সদৰ মজলীয়া পঢ়াশালিৰ শিক্ষক আছিল; এওঁৰ কোনো পুত্ৰ নাছিল; একে-গৰাকী কন্যাও নিপুত্ৰকা। সাহিত্য-চৰ্চাৰ বাহিৰেও এওঁ জৰিপ, পৰিমিতি, কাৰ্য্য-পৰিচয়, পাটীগণিত, সৰল ক্ষেত্ৰ জ্যামিতি আদি পঢ়াশলীয়া পুথি লিখে। বলদেৱৰ উজুপাঠ পদপথি ১৮৮৪ত ওলায়। "বজালেই কাঁহপাত্ৰ ভগা ভাল চিনি॥ সাক্ষী কলে চিনি লোক কতদূৰ জ্ঞানী॥" "সাপৰ সমান খণ্ড কাৰো নাই নাই। হিমালয় সম গিৰি পৃথিৱীত নাই॥" উজুপাঠৰ এনে দুফাকি নহয় একাকি পদ্য কণ্ঠস্থ নাই এনে শিক্ষিত লোক যোৱা দুই পুৰুষত অসমত বিৰল আছিল। এওঁৰ ভাব সৰল হলেও ভাষা আৰু ছন্দত এটি প্ৰাচীন সাহিত্যৰ গাম্ভীৰ্য্য আছেঃ যেনে,

"অমৃতৰ আশা কৰি বহু পুৰুষাৰ্থ ধৰি
সাগৰ মথিলে দেৱাসুৰে।

স্ত্রী-ৰত্নৰ প্ৰত্যাশায় কষ্টে ভ্ৰমি নানা ঠাই
ত্ৰিলোক জিনিলে লঙ্কেশ্বৰে ॥
অভীষ্ট সিদ্ধিৰ হেতু সমুদ্ৰত বান্ধি সেতু
মহাৰাজ দশৰথ-সুত।
ভালুক বান্দৰ লই লঙ্কাত প্ৰবিষ্ট হই
যুদ্ধ কৰিছিল অদভুত ॥
যুধিষ্ঠিৰ ৰাজা অতি দানী মানী ধৰ্ম্মে মতি,
তেও কিন্তু ৰাজ্যৰ আশাত।
দান-ধৰ্ম্ম পৰিহৰি দুৰ্যোধ সমৰ কৰি
জ্ঞাতিকো মাৰিলে অসংখ্যাত ॥"

**কমলাকান্ত ভট্টাচাৰ্য্য** ( ১৮৫৩—১৯৩৬ ) তেজপুৰৰ শিলাবন্ধা ন-দুৱাৰত ওপজে ; এওঁলোকৰ ঘাই ঘৰ বিশ্বনাথৰ গড়েহাগী গাঁৱত। এওঁ ভালেমান দিন হৰিবিলাস আগৰৱালাৰ লগত নানা ব্যৱসায়ত ধৰি শেষত নিজে হাতী-ধৰা আদি ব্যৱসায় চলায়। অসমীয়া বৰ্ত্তমান সাহিত্যইদি সমাজনৈতিক মৌলিক চিন্তাৰ নতুন সোত বোওৱাসকলৰ ভিতৰত কমলাকান্ত অগ্ৰণী পুৰুষ। যোৱা শতিকাত সত্তৰবোৰৰ পৰা এই শতিকাৰ ত্ৰিশবোৰলৈকে "অৰুনোদই"ৰ পৰা আৰাহনলৈকে আলোচনীবোৰ অবিৰাম এওঁৰ চিন্তাশীল গদ্য-পদ্য নানান প্ৰবন্ধই ওপচাই থৈছিল। ১৮৯০ চনত এওঁৰ 'চিন্তানল' নামৰ কবিতা পুথিৰ আগছোৱা আৰু ১৯২২ ত শেষ ছোৱা, আৰু 'চিন্তা-তৰঙ্গ'ৰ আগছোৱা ১৯৩৩ ত ওলায়। 'খাছিয়া পৰ্বতত ঠিয় দি মনৰ ভাব' "পাহৰণি" আদি অনেক কবিতা পুৰণি 'আসাম বন্ধু' ; 'জোনাকী' আদিত ওলাই-ছিল, আৰু সেই কালৰে "বাসন্তীৰ বিয়া" আদি কবিতাৰ মৌলিক কল্পনাই কোনো কোনো পৰবৰ্ত্তী কবিক প্ৰেৰণা যোগাইছে। এওঁৰ নিজৰ ভাষাৰেই এই কবিতাবোৰ "ছন্দ-বন্ধৰ একো লাগ-বান্ধ নথকাৰ বাবে পঢ়িবলৈ মিঠা নালাগিবও পাৰে" ; কিন্তু পঢ়োঁতাই যদি কমলাকান্ত প্ৰথমতে আৰু প্ৰধানতে দেশপ্ৰেমিক আৰু তাৰ পাছতহে ভাবুক বা কবি বুলি জানে, তেন্তে এওঁৰ কবিতাত সদায় এটা স্বাভাৱিকতাৰ আৰু অপূৰ্ব মোহৰ প্ৰমাণ পাব। এটি কবিতাত ভৈৰৱী দেৱালয়ৰ বৰ্ণনা জীৱন্ত হৈ উঠিছে ( অধ্যয়ন, ২০১-০৪ পদ )—

"হে মহাভৈৰৱ, বিষাদে মলিন ; এই দেৱালয় ভগন কিয় ।
উষাৰ পূজিত তুমি ইষ্টদেৱ আছিল এদিন কুঁৱৰী-প্ৰিয় ॥
কোৱাঁ দেৱী কোৱাঁ সুধিছো এবাৰ, সুন্দৰী উষাৰ নগৰ নে ই ।
শ্ৰদ্ধা-ভকতিৰে তোমাক পূজিলে সদায় যতনে বাণৰ জী ॥
কি কুটিলা গতি নিষ্ঠুৰ কালৰ ! আজি ক'ত উষা দেৱী, পশুপতি !
লাজ নাইকিয়া, আছাঁ কিয় তুমি লভি অপমান ই হেন দুৰ্গতি ?
কেনে ৰম্যপুৰ আছিল মন্দিৰ বেষ্টিত চৌপাশে সুন্দৰ প্ৰাচীৰ ।
আজি ভগা চিনে দেখায় সবাকে শত্ৰু-ইতিকিং বেষ ৰেখাটিৰ ॥
কিন্তু আজি দেৱ তোমাৰ দুৰ্গতি দেখিলে বিষাদে বিদাৰে হিয়া ।
ক'ত উষা বাণ ৰজা আজি, কাৰো ঘৰ-বাৰী চিন নাইকিয়া ॥

**ভোলানাথ দাস** (১৮৫৮—১৯২৯) জুলাই মাহত নগাঁৱত জন্মে ; এওঁৰ মাক পদ্মাৱতী, পিতাক বাপীৰাম। এওঁলোক বিখ্যাত বাখৰ বৰাৰ ঘৰৰ, ভোলানাথ মাক-বাপেকৰ একেটি সন্তান। ১৮৭৯ত নগাঁও উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উঠি এওঁ কলিকতাৰ মেট্ৰপলিটান কলেজত নাম লগায় ; কিন্তু মাকৰ নৰিয়াৰ বাবে সোনকালে ঘৰলৈ উলটি আহে। তাৰ পাছত এওঁ নগাঁৱৰ জিলা ছৰ্ভেয়ৰ পদত নিযুক্ত হয়, আৰু তাৰ কঠোৰ পৰিশ্ৰমে সুশৃঙ্খলত এওঁ সেই কাম এৰি দিয়ে। এইবাৰ এওঁ নগাঁও উচ্চ ইংৰাজী বিদ্যালয়ৰ তলৰ শিক্ষক পদত মকৰল হৈ তাৰ পৰা ক্ৰমে শিক্ষা বিভাগৰ কাকতী আৰু নগাঁও আৰু শিৱসাগৰৰ জৰিপ পঢ়াশালিৰ শিক্ষকৰ পদ গ্ৰহণ কৰে। শেষত ছবৰ্ডিনেট ছিভিল ছাৰ্ভিছ পৰীক্ষাত উত্তীৰ্ণ হৈ ১৮৮৮ত এওঁ মাটি-হাকিম হয়। ইয়াত ক্ৰমোন্নতি কৰি পাছত এওঁ প্ৰথম শ্ৰেণীৰ কৰ্মচাৰী আৰু দ্বিতীয় শ্ৰেণীৰ মেজিষ্ট্ৰেটৰ ক্ষমতা পাই সহকাৰী ছেটলমেণ্ট বিষয়া নিযুক্ত হৈছিল ; আৰু গুৱাহাটী ছহৰৰ জৰিপ আৰু পুনৰ-ছেটলমেণ্টৰ কাম সমাধা কৰি ১৯১২ৰ ১২ দিচেম্বৰত ৰজাঘৰীয়া কামৰ পৰা আজৰি হয়। ইয়াৰ পাছতো নানা ৰজাঘৰীয়া আৰু ৰাজহুৱা কামত ১৯২৭ লৈকে লগাৰ পাছত ১৯২৯ৰ ২ জুলাইত গুৱাহাটীৰ উজান বজাৰৰ নিজ ঘৰত এপপ্লেক্সী ৰোগত এওঁ ঢুকায়। স্বৰূপতে আধুনিক অসমীয়া খণ্ড কবিতাৰ ভোলানাথ এজন প্ৰথম আৰু প্ৰধান প্ৰৱৰ্ত্তক। ১৮৮২ আৰু ১৮৮৩ত যথাক্ৰমে এওঁৰ 'কবিতা-মালা' আগ-ছোৱা আৰু শেষ-ছোৱা ওলায় ; "আসাম

বন্ধু"ত ইয়াৰ ভালেখিনি কবিতা আগতে প্ৰকাশিত হৈছিল আৰু তেতিয়াই ভোলানাথে কবি বুলি যশ লভিছিল। ১৮৮৪ত এওঁৰ চিন্তা-তৰঙ্গিণী নামৰ কবিতা পুথিৰ দুটি খণ্ড ওলায়; আৰু উচ্চ পাঠ্যৰূপে অসমৰ পঢ়াশালিত বহুত দিন চলে; "কিয়নো নাজাগে আমাৰ মন", "মেঘ" আদি ইয়াৰ ভালেমান কবিতাত নতুন যুগৰ এই নতুন কবিৰ নতুনত্ব ফুটি উঠিছিল। "মেঘ" কবিতাৰ আৰম্ভণ:

"কি ভাবি হে মেঘ, আজি শ্বেত কলেৱৰ;
শ্বেত যেন তুলা ৰাশি কিবা ৰৰফৰ ৰাশি
অতি ক্ষুদ্ৰ আয়তনে সুদূৰ অম্বৰে
হইলা উদয় কোৰ্খা কি ভাবি অন্তৰে?"

ইংৰাজ কবি গ্ৰেৰ "ইলেজী" আদিত আগন্তুক নৱন্যাসৰ বাৰ্ত্তা পোৱা দৰে এনে কবিতাত "জোনাকী" যুগৰ চন্দ্ৰকুমাৰ আগৰৱালাৰ "নিয়ৰ" আদিৰ আগজাননী পোৱা হেন লাগে; অথচ ইয়াত প্ৰাচীন সাহিত্যৰ গাম্ভীৰ্য্য এটিবো উমান পোৱা হয়। এই সময়তে এওঁ সীতাহৰণ কাব্য ৰচি তেতিয়াৰ আউনিআটি ধৰ্মপ্ৰকাশ যন্ত্ৰৰ পৰা প্ৰকাশিত "আসাম বিলাসিনী"ত (১৮৭১—৮৩) ছোৱা ছোৱাকৈ উলিয়াই ১৮৮৮ ত ইয়াক পুথিৰ আকাৰে প্ৰকাশ কৰে। তাৰ সূচনা—

"প্ৰভাতিলা নিশা উষা আশু গতি ধৰি
আসিলা; কুকলি দিলা সুদীৰ্ঘে পেঁচক;
বায়স কৰিলা কা-কা; যেন হেকৰাই
লঙ্কা লঙ্কা-প্ৰিয় পক্ষী কুক্কুট পুছিলা
'লঙ্কা পুৰ ক'ত' বুলি; গাইলা চৌদিশে
প্ৰভাতীয় গীত যত প্ৰভাতী বিহঙ্গ;
বৃকধূৰ্ত্ত দল হুৱা ধ্বনি মুখে।"

ৰমাকান্ত আৰু ভোলানাথ, সমসাময়িক এই দুজন কবিয়ে জয়ে জয়ে অসমীয়াত এই ছন্দৰ প্ৰৱৰ্ত্তন কৰোঁতে কবিত্বৰ জগত যথেষ্ট কৃতিত্বৰ প্ৰমাণ দিয়ে। ৰমাকান্তৰ ভাষা নিখুত আৰু প্ৰাঞ্জল: ভোলানাথৰ কবিত্ব আৰু বৰ্ণনা-চাতুৰ্য্য বিপুল: কিন্তু এওঁ মাইকেল মধুসূদনৰ ছন্দৰ জগতে ভাষাও অন্ধৰূপে নহলেও ঘনিষ্ঠভাৱে অনুকৰণ কৰিবলৈ যাওঁতে অসমীয়া ভাষাৰ অতুৰা প্ৰতিভাত

অৱশ্যে ঠায়ে-ঠায়ে খুত লগাইছিল। "কোন সিটি বসি চেয়াৰ আসনে, হস্তেৰে লিখনী চলাই যায়" এনে ধৰণেৰে কিছুমান খণ্ড কবিতাতো এওঁ অসমীয়া ভাষাত এক অং-বং-ইং খিচুৰি পগাইছিল বুলি বহুতেই সেই কালত এওঁক দোষাৰোপ কৰিছিল। তেনে প্ৰতিকূল সমালোচনাতে বিশেষ ক্ষুণ্ণ হৈ তেওঁ তেওঁৰ জীৱনৰ পিছৰ দুকুৰি বছৰ কাল আৰু লিখনী হাতেৰে চুছুলে; অসমীয়া সাহিত্যৰ বাবে ই সামান্য ক্ষতি আৰু এলা-পেচা বেজাৰৰ কথা নহয়। আগতে ভোলানাথে কবিতা আৰু কাব্যৰ উপৰি "পৰিমিতি আৰু জৰিপ" আদি দুই এখন পুথিও লিখিছিল। সংস্কৃত বঙলা আদিৰ ভাঁজ দিয়া বুলিলেও স্বৰূপতে অসমীয়াত এক সাধু গহীন ভাষাৰ কাব্য-ৰীতিৰ সৃষ্টি কৰাই ভোলানাথৰ মহৎ উদ্দেশ্য আছিল নিশ্চয়; তেওঁৰ দোষখিনিয়ে অসমীয়া সাহিত্যক অৱশ্যে ছুব নোৱাৰিলে, কিন্তু গুণখিনিয়ে ইয়াক বহুত সমৃদ্ধিশালী কৰিলে যে ই নিশ্চয়।

**বন্থেশ্বৰ মহন্ত** (১৮৬৪—৯৩) আউনিআটি সত্ৰৰ পৰা প্ৰতিষ্ঠিত উত্তৰ লখীমপুৰৰ বলিয়াগত সত্ৰৰ অধিকাৰ থানেশ্বৰ মহন্ত আৰু জয়ন্তী দেৱীৰ একটি পুত্ৰ। এওঁৰ পূৰ্বপুৰুষসকল মান-ভগনত কামৰূপলৈ উঠি আহে আৰু শেষত গুৱাহাটীত বসতি কৰেহি। বন্থেশ্বৰৰ বয়স এবছৰ পূৰ হবলৈ নৌ পাওঁতেই পিতাক ঢুকায় আৰু বাঁৱী মাকে বৰ দুখেৰে এওঁক ডাঙৰ-দীঘল কৰে। ১৮৮০ ত এওঁ গুৱাহাটীৰ পঢ়াশালিৰ পৰা প্ৰবেশিকা মহলাত উঠে, আৰু সিমানতে শিক্ষা সাং কৰি নগাঁও পুৰণি-গুদামৰ মোমায়েকৰ ঘৰৰ ওচৰলৈ উঠি আহে। ইয়াতে এওঁ সংসাৰত সোমায় আৰু তেতিয়াৰ নগাঁৱৰ মুন্সফ সাহিত্যৰথী গুণাভিৰাম বৰুৱাৰ যত্নত তাৰ কাছাৰীত একাউন্টেন্ট্ কামত সোমায়। গাঁও-ভূঁই উছনকাৰী কলাজ্বৰৰ উৎপাতত ১৮৯৩ ত দুটি কন্যা মাত্ৰ এৰি বন্থেশ্বৰ ঢুকায়। নিজ নাম আৰু ৰামদাস গোস্বামী ছদ্মনামত এওঁৰ ভালেখিনি মৌলিক গদ্য আৰু পদ্য ৰচনা "আসাম বন্ধু" আৰু "জোনাকী"ত ওলায়; তাৰ ভিতৰত "জয়মতী কুঁৱৰী আৰু লাঙি গদাপাণি" প্ৰবন্ধটি অতি মূল্যবান। ৰূপতে অসমীয়াত বৰ্ত্তমান চলিত জয়মতীৰ কাহিনীৰ বাবে অকল এৰেঁই প্ৰশংসাৰ আগভাগ পায়; ইয়াৰ উপৰিও এওঁ বুৰঞ্জীমূলক আন কেউবাটিও প্ৰবন্ধ লিখিছিল। কবিতা-হাৰ আগছোৱা এওঁৰ একমাত্ৰ প্ৰকাশিত পদ পুথি; ইয়াৰ মজেছোৱা আৰু দ্ৰৌপদীৰ বেণীবন্ধন

নাট আদি এওঁৰ কেইবাখনিও পুথি হাতে-লিখা অৱস্থাতে থাকিল। এওঁৰ অপূৰ্ব কবি-প্ৰতিভাৰ আভাস "গাঁৱলীয়া বোৱাৰী"ৰ আৰম্ভণটিৰ পৰাই পাব পাৰি :

"ফেচাই উকলি দিলে পূবে বগা ডাঁৱ,
বাহিৰে পোহৰ কিন্তু ভিতৰে আন্ধাৰ ;
কু-কু কু-কু বুলি কুকুৰাই কণ্ঠ তুলি
পুৱাল ৰজনী বুলি জনালে জগৎ ;
গাঁৱলীয়া বোৱাৰীৰ আহ্লাদ মনত।
শীতৰ অমোঘ অস্ত্ৰ নিহালি পেলালে,
বুকুৰ কেচুৱা এৰিলেক ডালে-পালে ;
বিসৰ্জিলা এলাহক সাৰটিলা সুকাৰ্য্যক
নিদ্ৰা-গতা কাৰ্য্য-মূৰ্ত্তি যেন সাৰ পালে ;
গৃহ-লক্ষ্মী সাৰ পালে অথবা কপালে।..."

মফিজুদ্দিন আহ্মদ হাজৰিকা (১৮৭০–১৯৫৮) ১৭৯২ শকৰ ১৩ ভাদত ওপজে ; ঘৰ ডিব্ৰুগড়ত, বিখ্যাত শৰাইঘাটৰ যুদ্ধত আহোম সেনা-বাহিনীৰ লগত বিদেশী মোগলৰ বিপক্ষে যুদ্ধ কৰা এজন সেনাধ্যক্ষ বাঘ হাজৰিকাৰ বংশধৰ। ১৮৯৭ত প্ৰকাশিত এওঁৰ জ্ঞান-মালিনীৰ বাহিৰে আন কোনো পুথি ওলোৱা নাই ; ইয়াৰ ৰূপকাত্মক 'দিন-কণা' পদ্যটি বিতোপন—

"হেৰা হেৰা বাটকৰা ! মৰমৰ ভাইহঁত !
নেৰিবা নেৰিবা মোক এই মায়া-বজাৰত।
দুহাত যুৰিছোঁ মই কাৰউ-কাকুতি কৰি,
অকলে নেৰিবা মোক আলাই-আথানি কৰি !
তোমালোকো যোৱাঁগই, মোকো হেৰা লই যোৱা ;
দুখীয়া নিছলা বুলি এফেৰি উভতি চোৱা ;
হাতৰ লাখুটি ই যে মেলি দিছোঁ, হেৰা ভাই !
ধৰা ; ধৰি কোনোমতে নিয়া মোকো আগুৱাই।
কেনিনো যাবগৈ লাগে চকুৰে নমনো মই ;
খুন্দা-খুন্দলি যে খাই যেনি-তেনি পৰোঁগই !

আমাৰ নিচিনা এনে দুখীয়া-লেহেৰা দেও,
এই বিশ্ব-বজাৰত নাই আৰু ক'তো কেও।
সিদেখি মাতিছোঁ মই অত যে মিনতি কৰি ;
আহাঁ আহাঁ ভাইহঁত, নিয়া মোকো বাহু ধৰি।
বেছিতো নেলাগে মোক, একেৰি পোহৰ মুঠে ;
তাকে পালে উলাহতে প্ৰাণ মোৰ নাচি উঠে।
এটুপি চকুৰ লো' এখনি কোমল হিয়া,
এবাৰি আয়ে-দেহি, আৰু এটি হুমুনিয়া' :
ইয়াৰ উপৰি আৰু একোকে নেলাগে মোক ;
ইয়াকে পালেই মোৰ গুচি যাব যত শোক।
আমনি নকৰোঁ আৰু কাকো ক'তো হেৰা ভাই ;
আহাঁ, আহাঁ, ঘূৰি আহি নিয়া মোকো আগুৱাই।
বজাৰতে ভোল গলোঁ লীলা-মলা চাই চাই ;
চাকি-তেল সলিতা যে নেৰেহালোঁ হায় হায়!
এতিয়া বুজিল বেলি, হ'লহি আন্ধাৰ ঘোপ ;
লাহে লাহে ভাগিলেহি গধাকিবো দলদোপ।
নিগমে মৰিলোঁ মই! কোন কেনি আছাঁহঁক,
উধাৰাহি আজি এই দিন-কণা অধমক!"

এইসকলৰ উপৰিও আন ভালেখিনি সাময়িক লেখকৰ ৰচনাত এই আধুনিকতাৰ কিয়, বৰ্ত্তমানৰ অতি-আধুনিকতাৰ আভাসো দেখিবলৈ পোৱা হয় ; এই বৈষয়িক আৰু সামাজিক দৃষ্টি-ভঙ্গী "অৰুনোদই"ৰ কালৰে পৰা অসমীয়া কবিতাত ঠাই পাইছে। এই কাকতত ওলোৱা কলিকতা, গুৱাহাটী, নগাঁও আদিৰ বিৱৰণৰ বাহিৰেও ১৮৫৩ ৰ ফেব্ৰুৱাৰী (৮ম বছৰ, ২য় সংখ্যা) "অৰুনোদই"ত ওলোৱা দয়াৰাম চেটিয়াৰ "চাপাখানৰ বিৱৰণ" লিখা মনকৰিব লগীয়া :

"মাহে মাহে অৰুনোদই জেনে মতে পাই। তাৰ বিৱৰণ লিখোঁ শুন্সৰ চাই॥
বহু বহু লোক আচে দেখিতে নপাই। অচম দেসত জানা এনে জন্ত্ৰ নাই॥
এক গোটা পকিঘৰ ইটাৰে কৰিচে। ঠায়ে ঠায়ে বহু জন্ত্ৰ তাহাতে থাপিচে॥
কোঠালি কোঠলি তাক দেখিবাক ভাল। আৰ্চিৰ দুআৰ তাত দিচে চাৰি ফাল॥

তাহাৰ ভিতৰে জন্ত্ৰ জতেক আচই। আদি অন্ত নাহি তাৰ কত কৰ্ম হুই॥
আখৰ চপোৱা জন্ত্ৰ অতি আচৰিত। তাহাৰ ভিতৰে হুই আখৰ স্থৰিত॥
দুই খান সাল আচে সমস্তে লোহাৰ। আৰু ভালেমান জন্ত্ৰ মাজত তাহাৰ॥
…অৰুন উদয় মধ্যে নক্সা জত আচে। দিনে দিনে চাৰি গুনে তাহাকে কাটিচে॥
পাঁচ চই দিন তাক তৈয়াৰ কৰই। দুই এক বাৰ বিনে আৰু নিদিয়ই॥
এহি ঘৰে কৰ্ম কাৰি প্ৰাই ত্ৰিচজন। আগা অমুসাৰে সৱ কৰ্মক সাধন॥
মোৰ নিজ গ্ৰাম জানা উত্তৰ পাৰত। জন্ম ধৰি আচো মই আহোম কুলত॥
আত পৰে আন কথা নেপালো ভাবিয়া। সংক্ষেপে বচিলো মাত্ৰ দয়াৰাম চেটিয়া॥"

ইয়াৰ লগত ১৯১৬-১৭ৰ "আলোচনী"ত ওলোৱা বিপিনবিহাৰী বৰাৰ "এলডা গোবৰ" বিজাৰ পাৰি ঃ "আলি-পদূলিত পৰি থাকে মাখিৰ হৈ ভোগ্য। ইয়াতো আছে গুপুত ভাব কবিতাৰ যোগ্য॥ শ্ৰীকৃষ্ণৰ সুৰভী আৰু বৃষভ মহেশ্বৰ। ভক্তি-ভাৱে সেৱে নৰে কামধেনু বশিষ্ঠৰ॥ আন্তৰিক শ্ৰদ্ধা হেতু গোবৰক নিঘিণায়। সকলো ঠাইতে ভিন্ ভিন্ কামত লগায়॥ এনে বিধৰ ভক্তি ভাব অতিশয় বিবল। প্ৰকাশ কৰে হৃদয়ৰ ভকতি নিৰ্মল॥… বৰবানিত চৰি ফুৰা গৰুৰ গোবৰ। বিপদজনক ব্যৱহাৰ ঘৰৰ ভিতৰ॥" সামাজিক দৃষ্টি-ভঙ্গীৰ ফালৰ পৰা হেমচন্দ্ৰ বৰুৱাৰ "কোৱা-ভাতুৰী"ৰ সামৰণি পদৰ লগত ১৮৩৩ ত "মৌ" আলোচনীত প্ৰকাশিত বলিনাৰায়ণ বৰাৰ "ডাঙৰীয়া" কবিতাটি মিলাই চাব পাৰি ঃ

"ডাঙৰ দীঘল ভুনি মাৰা যুবত ডাঙৰ পাগ।
বিয়ায় সভায় ডাঙৰ চকত পায় ডাঙৰ ভাগ॥
ডাঙৰ জাপিৰ তলত যায় ডাঙৰ পিঠাত বহে।
ডাঙৰ হোকাত ধপাত খায়, ডাঙৰ ডাঙৰ কাহে॥
ডাঙৰ খাহি ডাঙৰ মাছ ডাঙৰ ভেটি-ভাৰ।
গোচৰ সোধাত জগৰ ভাঙাত সদায় লাগে তাৰ॥
ডাঙৰ ঘৈণীক চুলিত ধৰি মাৰে ডাঙৰ চৰ।
ডাঙৰ চাউলৰ ভাত দিয়ে তাঁতশালত ঘৰ॥
বান্দীক মাৰে খুটাত বান্ধি ডাঙৰ বাইনিৰে।
খৰমৰ কোৰ লগুৱাৰ মূৰত দিনে-ৰাতি পৰে॥

ডাঙৰ দাবিত লবা-লুৰি পলায় লবালৰি।
ডাঙৰ বেতৰ কোবত কেওঁএ কান্দে বা চিয়ঁৰি ॥
ডাঙৰ ডিণ্ডিৰ ডাঙৰ হাতৰ ডাঙৰ ধুমধুমনি।
ইমূৰৰ পৰা সিমূৰলৈ গোটেই গাঁৱত শুনি ॥
ডাঙৰ চৰাৰ ডাঙৰ খুটাত ডাঙৰ গাৰু পাৰি।
পাটি-চৰাত খাই-দাই উঠি বহে ভেম মাৰি ॥
ডাঙৰ ডগ্- ডগিত পানী, ডাঙৰ বটাত পাণ।
ওচৰত থয় হোকা ( আৰু ) চৰিয়া পিক্দান ॥
ডাঙৰ বিছনিৰ বা ( গাত ) জুৰ লাগি পৰে।
চকু মুদি ডাঙৰ ডাঙৰ হোটোৰনি মাৰে ॥
পিন্ধা-উৰাত ভেম ডাঙৰ, কথাত ডাঙৰ গপ।
তলে তলে কথা ডাঙৰ, পুৰা ডাঙৰ জপ ॥
চুবুৰীয়াৰ মাটি চেপি পাতে ডাঙৰ বাৰী।
গহনাৰ পেৰা ডাঙৰ কৰে বাৰী তিৰুতাৰ কাঢ়ি ॥
খাতৰ বন্ধাক খাব নিদি ডাঙৰ ভৰাঁল পাতে।
বিয়ায়-সভায় মাগন তুলি চাঙৰ তলত পোতে ॥
তিৰুতাৰ আগত পুৰুষালি গোলামক খুন্দা যম।
ল'ৰাৰ আগত বৰ কথা, সমনীয়াৰ আগত কম ॥
চাপ্ৰাচিৰ আগত কেকোৰা-কেকুৰি চাহাবৰ আগত কুজা।
এওঁএই আমাৰ অসমৰ ডাঙৰীয়া বুজা ॥"

ইয়াৰ লগত আকৌ সত্যনাথ বৰাৰ "সভ্যতাৰ মথাউৰি" তুলনীয়—

"নামনিৰ বাতৰি উজনি পালেহি, সভ্যতাই আহিছে খেদি।
ফেনে-ফোতকাৰে বুৰাই আহিছে স্বৰগ-পাতাল ভেদি ॥
বোম্বাই বুৰালে, বঙাল বুৰালে, বুৰালে পছিম দেশ;
বেহাৰ মাদ্ৰাজ সকলো বুৰালে, ভাৰত কৰিলে শেষ ॥
ঠেঙাৰে ছাতিলে, টুপিৰে ঢাকিলে, থুৰালে ব্যভিচাৰ কৰি।
দীঘলীয়া চুলি শুৰিতে কাটিলে, টিকনি কাটিলে ধৰি ॥
তলৰ মানুহ ওপৰ তুলিলে, ওপৰ কৰিলে তল।
জাতি-অজাতিৰ বিচাৰ গুচালে, সকলো একাকাৰ হল ॥

শূদিৰে জপিলে সন্ধিয়া-গায়ত্ৰী, বামুণে ৰাখিলে ডাঢ়ি।
আগৰ পুৰণি শুদ্ধ ৰীতি-নীতি সকলোকে নিলে কাঢ়ি॥
এনে উন্নতি দেখিব নোৱাৰি ফুৰিল অসম দেশ।
চিলিম ধোঁৱাখোৱা আছাৰি পেলাই ধৰিলে বীৰৰ বেশ॥
বান্ধিলে টঙালি যেৰাই যেৰাই, মূৰত মথুৰা পাগ।
হাতত তুলি ললে কোৰ-চিপ্ বাং, হ'ল সমৰলৈ আগ॥
উঠিল ডিবুৰু, উঠিল তেজপুৰ, বঙ্ পুৰ সাৰথি হল।
গুৱাহাটী নগাঁও লগত ওলাই সভ্যতা ভেটিবলৈ গল॥
ধুবুৰীৰ সিমূৰে জুমুৰি পাতিলে, ভেটিলে সভ্যতাৰ বান।
মূৰৰ সমানকৈ মথাউৰি বান্ধিলে, ৰাখিলে অসমৰ মান॥
উদ্ধাৰৰ উপায় নাপাই সভ্যতা উভতি ভটিয়াই গল।
উজনি নামনি গোটেই অসম আগৰ দৰেই বল॥"

## অসমীয়া নৱন্যাসৰ কবিতা আৰু হোতাসকল

এলিজাবেথ যুগৰ লগত যেনেকৈ ইংৰাজী সাহিত্যৰ নৱন্যাস যুগ (১৮০০-৫০) দ্বিতীয় সৃজনমূলক প্ৰতিভাৰ যুগ বুলিব পাৰি, তেনেকৈ বৈষ্ণৱ সাহিত্যৰ তুলনাত বৰ্ত্তমান সাহিত্যৰ ঢেকিয়াল ফুকনৰ জন্মৰ পৰা বেজবৰুৱাৰ শেষ কাললৈকে প্ৰথম এশ বছৰ (১৮৩০-১৯৩০) সাধাৰণভাৱে তেনে সৃজনমূলক যুগ বুলিব লাগিলে ই আগতে ক'বৰ দৰে সমুদ্ৰৰ বৃহৎ জোৱাৰৰ লগত ব্ৰহ্মপুত্ৰৰ ক্ষুদ্ৰ ঢৌৰ তুলনা হয়। জোৱাৰেই হওক বা ঢৌৱেই হওক, তাৰ শিৰ অৱস্থে শেষৰ দুকুৰি বছৰ (১৮৯০-১৯৩০); অৰ্থাৎ "জোনাকী" আৰু "আৱাহন" কাকতৰ মাজৰ অসমীয়া নৱন্যাসৰ কালছোৱা। ইংলণ্ডৰ নৱন্যাসৰ দৰেই অসমৰ নৱন্যাসো কবিত্বপ্ৰধান, আৰু তাৰ পৰা উপচি উপন্যাস আৰু নাটকলৈ বৈছে; নবদলৈৰ "মিৰিজীয়ৰী" উপন্যাস আৰু বেজবৰুৱাৰ "জয়মতী" নাটলৈ উদাহৰণ ৰূপে আঙুলিয়াব পাৰি।

**চন্দ্ৰকুমাৰ আগৰৱালা** (১৮৬৭-১৯৩৮) ইংৰাজী নৱন্যাসৰ ত্ৰিমূৰ্ত্তি ৱৰ্ডছ্ ৱৰ্থ-কলেৰীজ-ছাদীৰ দৰে অসমীয়া নৱন্যাসৰ ত্ৰিমূৰ্ত্তিৰ প্ৰথমটি আৰু স্বৰূপতে প্ৰধানটিও। ১৮৬৭ৰ ২৮ নৱেম্বৰত তেজপুৰ মহকুমাৰ কলংপুৰ মৌজাৰ ব্ৰহ্মাজানত হৰিবিলাস আগৰৱালাৰ দ্বিতীয় পুত্ৰ চন্দ্ৰকুমাৰৰ জন্ম হয়। এফালে

তীক্ষ্ণ বুদ্ধি আৰু স্বাধীনচিতীয়া, ইফালে লাজকুৰীয়া আৰু কবিসুলভ প্ৰকৃতি ; এই বিষম আৰু পৰস্পৰ-বিৰোধী স্বভাৱেই চন্দ্ৰকুমাৰক ল'ৰা কালৰ পৰা বুঢ়া কাললৈকে নেৰিছিল। বিচক্ষণ ব্যৱসায়ী আগৰৱালাই যে "প্ৰতিমা"ৰ পাকৈত খনিকৰ, এদিন-দুদিন দেখাসকলৰ চকু আৰু মনৰ এই দ্বন্দ্ব সহজে নালাগে। সামাজিক ব্যৱহাৰত তেওঁক সৰৱৰহী বুলিব যে নোৱাৰিয়েই, সাধাৰণ কথা-বাৰ্ত্তাতো তেওঁ নিশ্চয় নিমজ হব নোৱাৰিছিল ; বাস্তৱ জীৱনত বেজবৰুৱাৰ বাহিৰে তেওঁৰ হৃদয়-দুৱাৰ আৰু দুই চাৰিজনতকৈ সৰহৰ আগত মেল নাখাইছিল। সাহিত্যতো, ইংৰাজ কবি গ্ৰেৰ দৰে, এওঁ সম্পূৰ্ণ হৃদয়-ভাণ্ডাৰ মেলি নিদিয়া বাবে কেৱল দুখনি সৰু পুথিহে এওঁৰ পৰা পোৱা হল ; এওঁ যেন নিজে এওঁৰ কবিতাৰ "অকলই উৰি ফুৰে প্ৰাণৰ পখীটি !" বিশ্ববিদ্যালয়ৰ উপাধি বা ৰজাঘৰীয়া খিতাপ একোলৈকে আকাঙ্ক্ষা নথকাত পঢ়াশলীয়া জীৱনৰে পৰা বহুত বছৰ ব্যৱসায়ী পিতাকৰ লগত কলিকতাত আৰ্মেনিয়ান ষ্ট্ৰীটৰ নিজা ঘৰ-বাৰীত থাকি এণ্ট্ৰেন্স আৰু ফাৰ্ষ্ট আৰ্টছ মহলাত উঠি দুবছৰৰ অধিক কাল প্ৰেছিডেন্সী কলেজত বি-এ শ্ৰেণীত থাকিও নিৰুপাধিক হৈ শেষত অসমলৈ ওলটে আৰু চাহ খেতি আদি পৈতৃক ব্যৱসায়ত লাগে। কলিকতাত পঢ়া কালতেই নিজ খোৱা খৰচৰ পৰা ধন সাঁচি তাৰে প্ৰথম বছৰ নিজে সম্পাদক থাকি, আৰু তাৰ পাছত বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীক সম্পাদকৰ বাব দি, ১৮৮৯ৰ জানুৱাৰীত পোনতে "জোনাকী" উলিয়ায়। প্ৰেছিডেন্সী কলেজত পঢ়া কালত বঙ্গ দেশৰ অমৰ নেতা চিত্তৰঞ্জন দাস এওঁৰ সহপাঠী আছিল। বেজবৰুৱাই তেওঁৰ "জীৱন সোঁৱৰণ"ত আগৰৱালাৰ প্ৰথম বছৰৰ "জোনাকী"ৰ অপূৰ্ব গন্থ-ৰীতিৰ বিষয়ে কওঁতে কৈছে বোলে কলিকতাৰ উচ্চ আদালতৰ প্ৰধান বিচাৰপতি ছাৰ আশুতোষ চৌধুৰীৰ "পৰাধীন জাতিৰ ৰাজনীতি নাই" বোলা যিটি কথা শুনি সকলো চমৎকৃত হৈছে, তাৰ মৰ্ম "জোনাকী"ৰ "আত্মকথা"ত ছাত্ৰ--সম্পাদক চন্দ্ৰকুমাৰে তাৰ বহুত আগতে কৈছিল। কবিতাৰ বিষয়ে কওঁতেও লিখিছে বোলে সেই বছৰৰ "জোনাকী"ত ওলোৱা "বনকুঁৱৰী" আদি কবিতা পঢ়িহে অসমীয়া ঘৰুৱা মাত-কথাৰেও ওখ ধৰণৰ কবিতা লিখিব পাৰি বুলি মানুহে ভাবিব পাৰিছিল। স্বৰূপতে অসমীয়া নৱন্যাস যজ্ঞৰ চন্দ্ৰকুমাৰেই ঘাই হোতা। ৱৰ্ডছ্‌ৱৰ্থৰ দৰে পোনতে, চন্দ্ৰকুমাৰৰ ভাষা যে অত্যন্ত ঘৰুৱা সবল আৰু সোৱাদ তেওঁৰ সকলো কবিতাতে ইয়াৰ প্ৰমাণ পোৱা হয়। দ্বিতীয়তে,

ৱৰ্ডছ্ ৱৰ্থৰ দৰেই প্ৰকৃতিৰ লগত এওঁৰ সম্পৰ্ক পোন-পটীয়া, আওপকীয়া নহয় ; এওঁৰ অনুপম 'ফুলা সৰিয়হ ডৰা', 'নিয়ৰ' আদিয়েই তাৰ উদাহৰণ ঃ

"মুকুতা মণিটি পাহিত জিলিকে ফটিক পানীত ধোৱা ;
নিশাৰ তৰা এটি সৰিয়েহে আছে সৰগত টোপনি যোৱা।
নিজম আকাশৰ নিচুক কথাটি হিয়াত থইছে সাঁচি,
কোন কাহানিৰ সপোন দেখিছে, কোনে হাঁহিছিল নাচি ?
জুলনিত কোনে নিশা নাচিছিল, ছিগি বই গল মণি,
বণ্ডিলীৰ ভাৱ হাঁহি-নাচোনৰ ব'ল চিন এইকণি।
ৰাতিৰ ধেমালি জোনৰ নিফুট হাঁহিৰে থইছে গানি ;
পুৱাৰ হেঙুলি বেলিটিলৈ চাই এটুপি চকুৰ পানী।
নিয়ৰ কলিৰে শোভে ফুল জুপি চাইছে ভাবতে ভাহি ;
হায়, কি বিষম পেলালি বায়ুৱে জোকাৰি ফুলৰ পাহি।"

তৃতীয়ত, জাতি-বৰ্ণ নিৰ্বিশেষে মানুহ মানুহ-স্বৰূপেই এওঁৰ কবিতাৰ থাই বিষয় আছিল ; "বিশ্ব-ভাৱৰীয়া", "মানৱ বন্দনা", আৰু "বীণ-বৰাগী" কবিতাৱলীত ( অধ্যয়ন, ২০৫-১৮ ) ঃ—

"আহিছে মানুহ, গইছে মানুহ, মানুহ মৰাণী জীৱ ;
মানুহ সোঁতৰ অন্ত নাইকিয়া, বুলিলে মৰভ কিয় ?"
"হাঁহিছে মানুহ, কান্দিছে মানুহ, পাতিছে মানুহে প্ৰেম।
ধূলিতে উদয়, ধূলিতে বিলয়, ধূলিও স্বৰ্গীয় হেম।।"

চতুৰ্থত, কলেবীৰৰ ভাগত পৰা আৰু তেওঁৰ 'পুৰণি নাৱিক' কবিতাত প্ৰকাশ পোৱা অতি-প্ৰাকৃতিক কথাও এওঁ নিজে বন-কুঁৱৰী, জল-কুঁৱৰী আদিৰ ভিতৰেদি প্ৰকাশ কৰিছে। পঞ্চমত, দুখীয়াৰ দুখত গভীৰ সহানুভূতি ইংৰাজী নৱন্যাসৰ দৰে চন্দ্ৰকুমাৰেও থাইকৈ তেওঁৰ বীণ-বৰাগী কবিতা-সমূহত, আৰু সমাজৰ অসমতাৰ বিৰুদ্ধেও অতি তীব্ৰভাৱে, বিদ্ৰোহী ৰূপে প্ৰকাশ কৰিছে।—

"নিঃকিনলৈ কিয় দুখতে দুৰ্দ্দশা, নিৰ্দয় বিধান ইটো ?
দুৰ্বলীৰ গতি জীৱন্তে মৰণ, কিয় নখণ্ডিৰ সিটো ?
নেলাগে কুটিল সংসাৰৰ পথ, নেলাগে চাপৰ ওখ ;
আলেখৰ লেখ নেলাগে সম্পদ, নেলাগে বিষয় সুখ।"